প্রতিৰক্ষা মন্ত্রী শ্রী ৰাজনাথ সিঙে তাজিকিস্তানৰ দুছানবেত আয়োজিত এছচিঅ'ৰ হেডছ অব্ গভর্ণমেন্ট কাউন্সিলৰ বৈঠকত ভাষণ প্রদান কৰে

প্রতিৰক্ষা মন্ত্রী শ্রী ৰাজনাথ সিঙে 20 অক্টোবৰ 2026 ত তাজিকিস্তানৰ দুছানবেত অনুষ্ঠিত এছচিঅ'ৰ কাউন্সিল অব্ হেডছ অব্ গভর্ণমেন্ট (চিএইচজি) ৰ 25 সংখ্যক বৈঠকত ভাৰতক প্রতিনিধিত্ব কৰে।

2. বৈঠকত ভাষণ প্রদান কৰি প্রতিৰক্ষা মন্ত্রীয়ে বাণিজ্য, বিনিয়োগ, সংযোগ, উদ্ভাৱন আৰু জনসাধাৰণৰ মাজত আদান-প্রদানকে ধৰি পৰস্পৰৰ স্বার্থজড়িত ক্ষেত্রসমূহত এছচিঅ'ৰ সদস্য ৰাষ্ট্রসমূহৰ মাজত ব্যৱহাৰিক সহযোগিতা শক্তিশালী কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

3. প্রতিৰক্ষা মন্ত্রীয়ে সকলো ৰূপ আৰু প্রকাশৰ সন্ত্রাসবাদৰ বিৰুদ্ধে যুঁজ দিয়ালৈ ভাৰতৰ দৃঢ় প্রতিশ্রুতি পুনৰ ব্যক্ত কৰে, আৰু আঞ্চলিক শান্তি তথা সুস্থিৰতাৰ প্রতি অহা প্রত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ সামূহিক প্রচেষ্টাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেখেতে গুৰুত্ব আৰোপ কৰে যে আঞ্চলিক সহযোগিতা পৰস্পৰৰ প্রতি শ্রদ্ধা, সার্বভৌমত্ব, ভূখণ্ডৰ অখণ্ডতা আৰু পাৰস্পৰিক লাভালাভৰ নীতিৰে পৰিচালিত হ'ব লাগিব।

4. বৈঠকখনত এছচিঅ'ৰ সদস্য ৰাষ্ট্রসমূহৰ মাজত বহুপক্ষীয় অর্থনৈতিক আৰু বাণিজ্যিক সহযোগিতাৰ অগ্রগতি পর্যালোচনা কৰা হয় আৰু পৰিবহণ, বিত্ত, ডিজিটেল অর্থনীতি তথা সামাজিক উন্নয়নৰ দৰে ক্ষেত্রসমূহত সহযোগিতা আৰু অধিক শক্তিশালী কৰিবলৈ সংযোগ ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰা হয়।

5. প্রতিনিধিদলৰ প্রধানসকলে 2027 বর্ষৰ এছচিঅ'ৰ বাজেট, প্রসংগিক বিত্তীয় আৰু প্রশাসনিক সিদ্ধান্তসমূহ, আৰু 2026–2030 বর্ষৰ বাবে পিএমটিইচি কার্য পৰিকল্পনাকে ধৰি এছচিঅ'ৰ হেডছ অব্ গভর্ণমেন্ট কাউন্সিলৰ 25 সংখ্যক বৈঠকৰ যৌথ বিবৃতি গ্রহণ কৰে।

6. এছচিঅ' চিএইচজি হৈছে সংগঠনটোৰ এক গুৰুত্বপূর্ণ ব্যৱস্থা যি সদস্য ৰাষ্ট্রসমূহৰ মাজত অর্থনৈতিক আৰু ব্যৱহাৰিক সহযোগিতাৰ অন্যান্য ক্ষেত্রসমূহৰ প্রসাৰৰ বাবে দায়বদ্ধ। 2017 চনৰ পৰা ভাৰত এছচিঅ'ৰ এক সম্পূর্ণ সদস্য হৈ আহিছে আৰু ইয়াৰ বিভিন্ন ব্যৱস্থাসমূহত সক্রিয়ভাৱে অংশগ্রহণ কৰি আহিছে।

দুছানবে

অক্টোবৰ 20, 2026